**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-12-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত উপস্থিত হৈ চিকিৎসা মহাবিদ্যালয়খনৰ সামগ্ৰিক পৰিৱেশ আৰু ইয়াৰ বিভিন্ন দিশ সন্দৰ্ভত পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে চিকিৎসালয়খনলৈ অহা ৰোগীৰ সংখ্যা, বিভিন্ন বিভাগৰ বৰ্তমানৰ স্থিতিকে ধৰি অন্যান্য সা-সুবিধাসমূহৰ বুজ লয়। ড০ শৰ্মাই চিকিৎসালয়খনত ৩০০ কোটি টকা ব্যয়ৰে নিৰ্মাণৰ পৰিকল্পনা কৰা নতুন আৱাসিক কলনিৰ সন্দৰ্ভত চিকিৎসালয়ৰ কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰে। এই ক্ষেত্ৰত যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে।

০০০০০

চলিত বছৰত ৰাজ্যত পথ দুৰ্ঘটনা ৭২ দশমিক ৫-৬ শতাংশ বৃদ্ধি পাইছে। অৱশ্যে দুৰ্ঘটনাত মৃত্যুৰ হাৰ যোৱা বছৰৰ তুলনাত এই বছৰ ১৪ দশমিক ২-৮ শতাংশ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আৰক্ষী, পথ পৰিবহণকে ধৰি কেইবাটাও বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে হোৱা বৈঠকৰ পাছত এই বিষয়ে প্ৰকাশ কৰি কয়, যে অসম হৈছে পথ দুৰ্ঘটনাত মৃত্যু হ্ৰাস হোৱা দেশৰ একমাত্ৰ ৰাজ্য। যোৱাবছৰ ৰাজ্যখনত ৬ হেজাৰ ৬৯৮টা দুৰ্ঘটনা সংঘটিত হোৱাৰ বিপৰীতে এইবাৰ ৰাজ্যখনত সংঘটিত দুৰ্ঘটনাৰ সংখ্যা ১১ হাজাৰ ৫৫৮ লৈ বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে সমাগত উৎসৱৰ সময়ছোৱাৰ উপৰি অন্য সময়তো ৰাজ্যখনক পথ দুৰ্ঘটনাৰ পৰা মুক্ত কৰি ৰাখিবলৈ চৰকাৰে নিশা ১০ বজাৰ পাছত সুৰাপান কৰি গাড়ী চলোৱা ব্যক্তিক চিনাক্ত কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। বৰ্ধিত দুৰ্ঘটনা নিয়ন্ত্ৰণৰ বাবে গুৱাহাটী বাইপাছৰ ষ্ট্ৰিট লাইট, ফুট অভাৰব্ৰীজ, প্ৰতিফলক আদি স্থাপনৰ কাম ত্বৰান্বিত কৰাৰ বাবে বৈঠকত সিদ্ধান্ত লোৱা হয়। এই বৈঠকতে ড০ শৰ্মাই বাণিজ্যিক ট্ৰাক তথা অন্যান্য বাহনৰ পিছফালে প্ৰতিফলক লগোৱাৰ ব্যৱস্থা কাৰ্যকৰী কৰিবলৈ সীমান্তৱৰ্তী জিলাসমূহৰ আৰক্ষী অধীক্ষকক বিশেষ নিৰ্দেশনা প্ৰদান কৰে। তদুপৰি এনে বাহনৰ চালকসকলৰ দৃষ্টি পৰীক্ষা কৰাৰ লগতে চিকিৎসাৰ সুবিধা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মাঘ বিহুলৈকে পথ সুৰক্ষা অভিযান আৰু নিৰীক্ষণ ব্যৱস্থা অধিক তীব্ৰতৰ কৰি তোলা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বনভোজস্থলীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সুৰক্ষা নিশ্চিত কৰাৰ বাবেও সকলো অংশীদাৰীক সামৰি নিৰ্দেশনা জাৰি কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে আইন বলৱৎকাৰী সংস্থাসমূহৰ বিষয়াবৰ্গক অনুজ্ঞাবিহীন চালক আৰু অসাৱধানভাৱে গাড়ী চলোৱা ব্যক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ লগতে ঘন কুঁৱলীৰ সময়ত পথৰ সংকেতসমূহ দৃশ্যমান কৰি ৰাখিবলৈকো নিৰ্দেশ দিয়ে। তেওঁ লগতে মুখ্য চহৰসমূহত শীঘ্ৰেই ষ্ট্ৰিট লাইট স্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ বিভাগৰ ৰাজ্যমন্ত্ৰী ভগীৰথ চৌধুৰীয়ে আজি নগাঁও জিলাত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত নগাঁও জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহে জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাসায়নিক দ্ৰব্যৰ

ব্যৱহাৰৰ ফলত কৃষক আৰু কৃষি ভূমিৰ লগতে পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱৰ কথা উল্লেখ কৰি জৈৱিক পদ্ধতিৰে খেতি কৰাত গুৰুত্ব আৰোপ কৰে। অসমত খেতিৰ বাবে পৰ্যাপ্ত পানী আছে আৰু সেই বাবে বছৰত অন্তত তিনিবাৰকৈ খেতি কৰিব লাগে বুলি শ্ৰীচৌধুৰীয়ে মন্তব্য কৰে। এই ক্ষেত্ৰত তেওঁ বিভাগীয় বিষয়াসকলক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় চৰকাৰে কৃষকৰ উৎপাদিত ফচলসমূহ দেশৰ বিভিন্ন প্ৰান্তলৈ প্ৰেৰণ কৰাৰ ক্ষেত্ৰত ৫০ শতাংশ পৰিবহণ ব্যয় বহন কৰাৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ জৰিয়তে কৃষকসকলে উৎপাদিত ফচলৰ উপযুক্ত মূল্য লাভ কৰিবলৈ সমৰ্থ হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি জিলাখনত নাবাৰ্ডৰ জৰিয়তে ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ বুজ লোৱাৰ লগতে পাম অইল খেতিৰ অগ্ৰগতিৰ সন্দৰ্ভত পতঞ্জলীৰ বিষয়ববীয়াৰ সৈতে বাৰ্তালাপ কৰে। শ্ৰীচৌধুৰীয়ে লগতে জিলাখনৰ সকলো বিষয়ববীয়াক চৰকাৰৰ জনমুখী আঁচনিসমূহ যাতে যোগ্য হিতাধিকাৰীয়ে লাভ কৰে এইক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

কালি দেহাৱসান ঘটা যশস্বী চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ অন্ত্যেষ্টিক্ৰিয়া আজি আবেলি মুম্বাইৰ শিৱাজী পাৰ্ক শ্মশানত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। অন্ত্যেষ্টিক্ৰিয়াত পৰিচালকগৰাকীৰ  জীয়ৰী নীৰা আৰু পিয়াৰ লগতে হিন্দী চলচ্চিত্ৰ জগতৰ প্ৰসিদ্ধ অভিনেতা নাছিৰুদ্দিন শ্বাহ, ৰজিত কাপুৰ, কুলভূষণ খাৰবান্দা, ৰত্না পাঠক শ্বাহ, গায়িকা তথা অভিনেত্ৰী ইলা অৰুণ, পৰিচালক হাঞ্চল মেহতা, লেখক, কবি, পৰিচালক গুলজাৰ, লেখক জাভেদ আখতাৰকে ধৰি ভালেসংখ্যক গুণমুগ্ধ উপস্থিত আছিল।

ইয়াৰ আগতে পৰিচালকগৰাকীৰ নশ্বৰ দেহ মুম্বাইৰ পেʼডাৰ ৰোডত থকা তেওঁৰ বাসভৱনৰ পৰা এখন সুসজ্জিত বাহনেৰে শিৱাজী পাৰ্ক বৈদ্যুতিক শ্মশানলৈ নিয়া হয়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত ভুগি থকা চলচ্চিত্ৰ নিৰ্মাতাগৰাকীৰ কালি মুম্বাইত ৯০ বছৰ বয়সত মৃত্যু হয়। সপ্তম আৰু অষ্টম দশকত নিউ ৱেভ চিনেমাৰে হিন্দী ছবি জগতত নতুন ধাৰাৰ সৃষ্টি কৰা শ্যাম বেনেগালৰ উল্লেখযোগ্য ছবিৰ ভিতৰত অন্যতম হৈছে **অংকুৰ, মন্থন, ভূমিকা, জুনুন, কলিযুগ, ত্ৰিকাল, সুৰজ কা সাতৱা ঘোঁৰা, মাম্মো, মান্দি, চৰ্দাৰী বেগম, জুবেইদা** ইত্যাদি। শ্বাবানা আজমী, অনন্ত নাগ, স্মিতা পাটিল, নাছিৰুদ্দিন শ্বাহৰ দৰে বিশিষ্ট অভিনয় শিল্পীক চলচ্চিত্ৰ জগতত প্ৰতিষ্ঠিত কৰোৱা বেনেগাল ১৮টা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আৰু এটা ফিল্ম ফেয়াৰ বঁটাৰে বিভূষিত হৈছিল। ২০০৫ চনত দাদা চাহেব ফাল্কে, ১৯৭৬ চনত পদ্মশ্ৰী আৰু ১৯৯১ চনত পদ্ম ভূষণ সন্মানেৰে তেওঁক সন্মানিত কৰা হৈছিল।

০০০০০০০

শোণিতপুৰ জিলাত জলজীৱন মিছনৰ অধীনত বিশুদ্ধ খোৱাপানী যোগান ব্যৱস্থা সফল কৰি তোলাৰ ক্ষেত্ৰত বিশেষ অৱদান থকা ব্যক্তি তথা সংগঠনসমূহক আজি জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু শোণিতপুৰ জিলা পানী আৰু অনাময় সমিতিৰ উদ্যোগত  জল সেৱা বঁটা প্ৰদান কৰা হয়। শোণিতপুৰ জিলাৰ আয়ুক্ত, অতিৰিক্ত আয়ুক্ত তথা বিভাগীয় জ্যেষ্ঠ বিষয়াৰ উপস্থিতিত মুঠ ২৪ গৰাকী ব্যক্তি আৰু সংগঠনক আজি শ্ৰেষ্ঠ জল মিত্ৰ, শ্ৰেষ্ঠ ঠিকাদাৰ, শ্ৰেষ্ঠ পানী উপভোক্তা সমিতি, শ্ৰেষ্ঠ পঞ্চায়ত আৰু শ্ৰেষ্ঠ জলদূত আদি বিভিন্ন শিতানত সন্মানিত কৰা হয়।

০০০০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদত নতুনকৈ তিনিগৰাকী কাৰ্যবাহী সদস্য নিযুক্তি দিয়া হৈছে। মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে আজি ঘটোৱা এই সালসলনিৰ অধীনত ১৪ জনীয়া কাৰ্যবাহী পৰিষদখনত কাছে

ৰংপিপী, তিলোত্তমা হাছনু আৰু মাধুৰ্য ঢেকীয়াল ফুকনক কাৰ্যবাহী সদস্যৰ দায়িত্বভাৰ অৰ্পণ কৰা হৈছে। কাংবুঢ়া কিলিং আৰু মুকুট মহন্তক  কাৰ্যবাহী সদস্যৰ দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছে।

০০০০০০০

অহা ৫ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ'বলগীয়া ৭৪ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় বাস্কেটবল চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবৰ বাবে অসমৰ দল ঘোষণা কৰিছে। অসম বাস্কেট বল সন্থাই ঘোষণা কৰা  ল'ৰাৰ দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে বীৰেন্দৰ সিং আৰু পৰিচালক হিচাপে অনুপ কুমাৰ চাহুৰ নাম বাছনি কৰিছে। আনহাতে, ছোৱালী দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে ভৰজ্যোতি ভট্টাচাৰ্য, সহকাৰী প্ৰশিক্ষক অজয় কুমাৰ আৰু পৰিচালক হিচাপে উপাসনা কলিতাৰ নাম ঘোষণা কৰা হৈছে। দল দুটাই গুজৰাটৰ ভাৱ নগৰত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰিব।

০০০০০০০

তেজপুৰৰ নতুনপাৰা নিবাসী সৰবৰহী মহিলা ৰেণু বৰঠাকুৰৰ আজি তেজপুৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি অহা ২৮ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

০০০০০০০

**সমাপ্ত**